# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
***::::::::::::::::::::::::::::::::::***

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত উপস্থিত হৈ দেৱীৰ আশিস গ্ৰহণ কৰিছে। ইপিনে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কোকৰাঝাৰ জিলাৰ কেইবাখনো পূজাথলীত উপস্থিত হৈ দেৱী দুৰ্গাৰ পূজা অৰ্চনা কৰে। শোণিতপুৰ জিলাৰ দূৰ্গাবাৰী পূজা মণ্ডপত অসমীয়া সাহিত্যৰ কালজয়ী কিতাপৰ আৰ্হিত মণ্ডপ প্ৰস্তুত কৰা হৈছে। অসমৰ বৰেণ্য লেখক-সাহিত্যিকৰ বিভিন্ন গ্ৰন্থৰ আৰ্হিক লৈ গঢ়া পূজা মণ্ডপত ৰাইজে ভীৰ কৰা পৰিলক্ষিত হৈছে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ চিৰাং জিলাত উপস্থিত হৈ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি জিলাখনৰ বাসুগাঁৱত থকা তিনিটাকৈ দুৰ্গা পূজা মণ্ডপত দেৱী দুৰ্গাৰ আশিস ল'ব। তেওঁ লগতে বিজনীত এটা লক্ষ্মী মন্দিৰ উদ্বোধন কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি চিৰাং জিলালৈ অহাৰ কথা আছিল যদিও ভ্ৰমণসূচী স্থগিত ৰাখে।

oooooooo

শাৰদীয় দুৰ্গা পূজা সুকলমে সম্পন্ন কৰাৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ঋতুৰাজ দলেই জনোৱা মতে জিলাখনত এইবাৰ ১৩৬খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে। ইয়াৰে কেৱল গোৱালপাৰা চহৰতে ৩৬খন মণ্ডপত দুৰ্গা পূজা অনুষ্ঠিত হৈছে। আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে পূজাসমূহ সুকলমে অনুষ্ঠিত হোৱাৰ বাবে আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ দুৰ্গা পূজাৰ সময়ছোৱাত পুৱা ৮ বজাৰ পৰা নিশা ১২ বজালৈ ভালুকডুবি আৰু বিঅ'চিৰ পৰা অহা গধুৰ যান-বাহনসমূহ গোৱালপাৰা চহৰত প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। তদুপৰি সকলোৰে সহায়ক হোৱাকৈ আৰক্ষী প্ৰশাসনে জৰুৰীকালীন হেল্পলাইন নম্বৰো মুকলি কৰিছে। মহিলাৰ বাবেও সুকীয়াকৈ হেল্পলাইন খোলা হৈছে। পূজাৰ সময়ছোৱাত কোনো লোকে অসুবিধাৰ সন্মুখীন হ'লে ৭৬৩৭৮-৫০৩৪৭ আৰু ৭০০২৫-৭৭১৮৭ নম্বৰত ফোন কৰি অভিযোগ দাখিল কৰিব পাৰিব।

oooooooo

ধুবুৰী জিলা আৰক্ষী প্ৰশাসনে শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে জিলাখনত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। এই সন্দৰ্ভত জিলাখনৰ আৰক্ষী অধীক্ষক নবীন সিঙে কালি অনুষ্ঠিত এখন সংবাদমেলত কয় যে, ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্ততো কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয় যে, জিলাখনৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাত বি এছ্ এফ আৰু আৰক্ষীয়ে যৌথভাৱে পহৰা দিব। দুৰ্গা পূজাৰ সময়ছোৱাত দুষ্কৃতিকাৰীয়ে যাতে জিলাখনত কোনো কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে, তাৰ বাবে ধুবৰী আৰক্ষী প্ৰশাসনে জিলাখনত ভাৰত-বাংলাদেশ সীমান্তত চোকা দৃষ্টি ৰাখিছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। জিলাখনত অনুষ্ঠিত হোৱা প্ৰতিখন পূজা মণ্ডপত আৰক্ষীৰ লোক মোতায়েন কৰা হৈছে বুলিও তেওঁ মন্তব্য কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে কয় যে, বিজয়া দশমীৰ দিনা প্ৰতিখন বিসৰ্জন ঘাটত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হ'ব। বিসৰ্জন ঘাটসমূহত এছ্ ডি আৰ এফ, বি এছ্ এফ নিয়োগ কৰাৰ লগতে চি আৰ পি এফ আৰু অতিৰিক্ত আৰক্ষী বাহিনী জিলাখনলৈ অনা হৈছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, যান-বাহন উলংঘা কৰা দুচকীয়া বাহনৰ চালকৰ বিৰুদ্ধে অভিযান চলোৱা হ'ব।

০০০০০০০০

বাক্সা জিলাৰ বৰবৰীত কালিৰে পৰা ৮ দিনীয়া কাৰ্যসূচীৰে ৪০ সংখ্যক বাথৌ পূজা অনুষ্ঠিত হৈছে। বৰবৰী আঞ্চলিক বাথৌ পূজা উদযাপন সমিতিৰ উদ্যোগত আয়োজিত পূজা উপলক্ষে বাথৌ আৰজ আৰু খেৰাই নৃত্য পৰিৱেশন কৰা হয়। বিধায়ক ভূপেন বড়োৱে আজি পূজাস্থলীৰ মূল তোৰণ উন্মোচন কৰে। কাৰ্যসূচী অনুসৰি বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই বাথৌ মন্দিৰৰ দ্বাৰ মুকলি কৰে।

০০০০০০০০

যোৰহাট জিলা আয়ুক্তই আজি কাকজানত উন্নয়ন খণ্ড কাৰ্যালয়ৰ নতুন ভৱন নিৰ্মাণৰ বাবে প্ৰস্তাৱিত স্থান পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ভ্ৰমণৰ সময়ত ৰূপায়িত হৈ থকা বিভিন্ন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ প্ৰধানমন্ত্ৰী গ্ৰামীণ আৱাস যোজনাৰ ঘৰ পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে।

০০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনে জিলাবাসীৰ সহযোগত অহা ১৪ আৰু ১৫ অক্টোবৰত মৰিগাঁও দিৱস উদযাপন কৰিবলৈ প্ৰস্তুতি চলাইছে। এইবাৰ মৰিগাঁও দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰি লৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। গৱেষণামূলক কৰ্মপন্থা আৰু প্ৰতিগৰাকী নাগৰিকৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ সম্ভাৱনাসমূহক উলিয়াই অনাৰ উদ্যোশ্যে জিলা প্ৰশাসনে এই দিৱসৰ সৈতে সংগতি ৰাখি ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে। এইবাৰ মৰিগাঁও জিলা দিৱসৰ মূল বিষয়বস্তু হৈছে **জিলিকাব লুইতৰে পাৰ**।

০০০০০০০০

**সমাপ্ত**